# Course 506

# ব্যক্তিত্বৰ বিকাশ আৰু মান নিৰূপণ

ব্লক - 1

গোট - 3



টোকা

## গোট - 3 ঃ ব্যক্তিত্বৰ বিকাশ আৰু মান নিৰূপণ

# গাঁথনি

3.0 পাতনি

3.1 শিকন উদ্দেশ্য

3.2 ব্যক্তিত্বৰ ধাৰণা আৰু প্ৰকৃতি

3.3 ব্যক্তিত্বৰ বৈশিষ্ট্য

3.4. ব্যক্তিত্বৰ (ট্ৰেইন) গুণগত তত্বসমূহ

3.4.1 ব্যক্তিত্বৰ লক্ষণসমূহ

3.4.2 ব্যক্তিত্বৰ মনোবিশ্লেষণমূলক তত্ব

3.5. ব্যক্তিত্বৰ বিকাশ

3.5.1 আত্মধাৰণা

3.5.2 অভিৰোচন

3.5.3 মনোভাৱ

3.5.4 মূল্যবোধ

3.6 ব্যক্তিত্বৰ মান নিৰূপণ

3.7 ব্যক্তিত্বৰ বিকাশত শিক্ষকৰ ভূমিকা

3.8 সামৰণি

3.9 অগ্ৰগতি নিৰীক্ষণৰ উত্তৰ

3.10 পঠনৰ বাবে পৰামৰ্শাৱলী আৰু প্ৰসংগপুথি

3.11 গোটৰ শেষ অনুশীলনী

## 3.0 পাতনি ঃ

আগৰ অধ্যায়ত বংশগতি আৰু পৰিৱেশৰ প্ৰভাৱৰ বিষয়ে আলোচনা কৰিলো। এই অধ্যায়টোত আমি ব্যক্তিত্বৰ বিকাশ আৰু ইয়াৰ মান নিৰূপণৰ বিষয়ে আলোচনা কৰিম। আমি প্ৰধানকৈ ব্যক্তিত্বৰ ধাৰণা, ব্যক্তিত্বৰ বৈশিষ্ট্য, ব্যক্তিত্বৰ তত্বসমূহ, ব্যক্তিত্বৰ মান নিৰূপণ আৰু ব্যক্তিত্বৰ বিকাশত শিক্ষকৰ ভূমিকা সম্পৰ্কে এই অধ্যয়নত গুৰুত্ব দিম।



টোকা

## 3.1 শিকনৰ উদ্দেশ্য ঃ

এই গোটটো অধ্যয়ন কৰি আপুনি —

- ব্যক্তিত্বৰ অৰ্থ বুজিবলৈ সামৰ্থ হ'ব।
- ব্যক্তিত্বৰ বৈশিষ্ট্যসমূহ তালিকা কৰিবলৈ সামৰ্থ হ'ব।
- ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিত্বৰ মান নিৰূপণৰ বাবে সজাগতা বিকাশ কৰাৰ বাবে সামৰ্থ হ'ব।
- ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিত্বৰ বিকাশত শিক্ষকৰ ভূমিকা বৰ্ণনা কৰিবলৈ সক্ষম হ'ব।

## 3.2 ব্যক্তিত্বৰ ধাৰণা আৰু প্ৰকৃতি ঃ

ব্যক্তিত্ব (Personality) শব্দটো লেটিন শব্দ পাৰ্চনা (Persona)ৰ পৰা উদ্ভৱ হৈছে। যিয়ে ৰোমান নায়কে (actor) পৰিধান কৰা মুখা (mask) ক বুজায়? এই ক্ষেত্ৰত ব্যক্তিত্ব মানে অইনে দেখা ধৰণেই ব্যক্তি এগৰাকীক বুজায়। এগৰাকী ব্যক্তিৰ শাৰীৰিক, আবেগিক মানসিক, সামাজিক আৰু আত্মিক প্ৰসাধনৰ সমষ্টিকে ব্যক্তিত্ব বুলি কোৱা হয়। সৰল অৰ্থত, ব্যক্তিত্বই তলত দিয়া ধৰণে দিশ কেইটা সামৰি লয়-

1. আপুনি কি ধৰণে চাব পাৰে (আপুনি চোৱাৰ পদ্ধতি)
2. আপুনি কি ধৰণে পিন্ধিব পাৰে (আপুনি পিন্ধা পদ্ধতি)
3. আপুনি কি ধৰণে কথা ক'ব পাৰে (আপুনি কথা কোৱা পদ্ধতি)
4. আপুনি কি ধৰণে খোজ কাঢ়ে।
4. আপুনি কি ধৰণে কাম কৰিব পাৰে (আপুনি কাম কৰা পদ্ধতি)

## 3.3. ব্যক্তিত্বৰ বৈশিষ্ট্যসমূহ ঃ

1. ব্যক্তিত্বই এজন মানুহে কি কৰে, তাকে বুজায়। — ইয়াৰ অৰ্থ হৈছে প্ৰত্যেক ব্যক্তিৰ ব্যক্তিত্বৰ গুণসমূহৰ জীৱনৰ এটা স্তৰলৈহে বিকাশ ঘটে। ইয়াৰ পাছত এটা স্তৰত বিকাশ স্থিৰ হয় আৰু এগৰাকী ব্যক্তিৰ গাত নিহিত হৈ থকা আৰু দেখা বৈশিষ্ট্যবোৰ এজনে আনজনৰ পৰা ধাৰলৈ ল'ব নোৱাৰে।
2. প্ৰত্যেক ব্যক্তিৰে ব্যক্তিত্ব সংগঠিত সুন্দৰ। প্ৰত্যেক ব্যক্তিৰে বৈশিষ্ট্য এজনৰ পৰা আনজনৰ লগত নিমিলে। আনকি দুটা যমজ সন্তানো একে বৈশিষ্ট্যপূৰ্ণ ব্যক্তিত্বৰ নহয়।
3. ব্যক্তিত্ব হৈছে গতিশীল। ই স্থিৰ নহয়। বংশগতি আৰু পৰিৱেশৰ আন্তঃক্ৰিয়াৰ বাবে ব্যক্তিত্ব গুণবোৰ যদিও নিৰ্বাচিত, সেইবোৰ প্ৰতিগৰাকী ব্যক্তিৰ গাত থাকে, মাথো সময়ে সময়ে সেইবোৰ চালিজাৰি সংস্কাৰ কৰি লোৱা হয়। যদিও ব্যক্তিত্বৰ গুণবোৰৰ লগত নতুন গুণ যোগ কৰিব নোৱাৰি তথাপি সময়ৰ পৰিৱৰ্তনৰ লগে লগে

টোকা

প্ৰতিটো গুণ চালি জাৰি চোৰা হয়।

4. প্ৰতিজন ব্যক্তিৰ ব্যক্তিত্বৰ প্ৰকাশ হ'ল এজনৰ গাত থকা গুণৰ সমষ্টি, যিবোৰ কোনেও অইনৰ পৰা লুকাব নোৱাৰে। আনকি অইনৰ লগত পৰস্পৰ আন্তঃসম্পৰ্ক কৰিবও নোৱাৰে।

5. **ব্যক্তিত্ব হ'ল বংশগতি আৰু পৰিৰেশৰ প্ৰভাৱৰ ফল ঃ** এগৰাকী ব্যক্তিয়ে জন্মসূত্ৰে ব্যক্তিত্বৰ বৈশিষ্ট্যবোৰ এটা পুৰুষৰ পৰা আনটোলৈ কঢ়িয়াই নিয়ে আৰু নিৰৱচ্ছিন্নভাৱে এই বৈশিষ্ট্যবোৰ আপদালৰ লগে লগে পূৰ্ণ হয়। ইয়াৰ উপৰি সামাজিক-সাংস্কৃতিক আৰু অৰ্থনৈতিক পৰিবেশে কিছুমান নিৰ্দিষ্ট ব্যক্তিত্বৰ গুণ বৈশিষ্ট্যৰ বিকাশ সাধন কৰাত অৱদান যোগায়।

6. ব্যক্তিত্ব সমাজৰ জৰিয়তে গঢ়ি লয় ঃ ব্যক্তিৰ ব্যক্তিত্বৰ বৈশিষ্ট্যবোৰ লালিত পালিত হয় আৰু চালি-জাৰি চোৰা হয়। সামাজিক প্ৰভাৱ আৰু পাৰস্পৰিক সম্পৰ্কৰ বাবে কিছুমান বিলুপ্ত হয়।

7. ব্যক্তিত্ব হৈছে পৰিৰেশৰ সৈতে এক স্বতঃস্ফূৰ্ত অভিযোজন ঃ যদিও ব্যক্তিৰ ব্যক্তিত্বৰ বৈশিষ্ট্যবোৰ জন্মসূত্ৰে বংশগতভাৱে এটা পুৰুষৰ পৰা আন এটা পুৰুষলৈ যায়, এই বৈশিষ্ট্যবোৰেও পৰিৰেশৰ দ্বাৰা প্ৰভাৱান্বিত হয় আৰু সময়ে সময়ে হোৱা পৰিৰেশৰ পৰিৱৰ্তনৰ লগত অভিযোজিত হয়।

8. কাচিৎহে ব্যক্তিত্ব পৰিৰেশৰ দ্বাৰা প্ৰভাৱান্বিত হয় ঃ বহলভাৱে চাবলৈ গ'লে পৰিৰেশীয় কাৰক বা বলৰ দ্বাৰা কোনো প্ৰভাৱান্বিত হ'লেও কেতিয়াবা কিন্তু প্ৰভাৱশালী ব্যক্তিত্বই চাৰিওফালে থকা পৰিৰেশক প্ৰভাৱিত কৰিব পাৰে।

9. ব্যক্তিত্বই সদায় নিৰ্দিষ্ট কাম শেষ কৰাৰ বাবে প্ৰাণপণে চেষ্টা কৰে ঃ প্ৰত্যেক ব্যক্তিৰ ব্যক্তিত্বৰ বৈশিষ্ট্য গুণবোৰ এটা উদ্দেশ্য থাকে। এই অনুসৰি, এজন ব্যক্তিয়ে জীৱনৰ লক্ষ্য স্থিৰ কৰে আৰু লক্ষ্যত উপনীত হোৱাৰ চেষ্টা কৰে।

10. ব্যক্তিত্ব হ'ল আত্ম সচেতন মূলক ঃ আমি জন্তুৰ ব্যক্তিত্বক গুৰুত্ব নিদিওঁ ঃ মানুহৰ বস্তুৰ প্ৰতি মন আছে সেইবাবে মানুহৰ ব্যক্তিত্ব হ'ল এটা চিন্তন প্ৰক্ৰিয়া। যদিও জন্তুৰ এনে বস্তু নাই, তথাপি ব্যক্তিয়ে তেওঁলোকৰ গুণ আৰু সামৰ্থ ক্ষেত্ৰত সজাগ হোৱাৰ প্ৰয়োজন আৰু সেই মতে কাম কৰাৰ প্ৰয়োজন।

**অগ্ৰগতি পৰীক্ষা কৰক- 1**

1. ব্যক্তিত্বৰ বৈশিষ্ট্যসমূহৰ তালিকা কৰক আৰু যিকোনো দুটাৰ উপযুক্ত উদাহৰণেৰে বৰ্ণনা কৰক।

..........................................................................................................

..........................................................................................................

..........................................................................................................



টোকা

## 3.4 ব্যক্তিত্বৰ তত্বসমূহ ঃ

তলত কেইটামান দৰকাৰী ব্যক্তিত্বৰ তত্ব আলোচনা কৰা হ'ল —

### 3.4.1. ব্যক্তিত্বৰ গুণগত তত্ত্ব

G.W. Allport, R.B. Cuttell আৰু H. J Eysenck হ'ল ব্যক্তিত্বৰ গুণগত তত্ত্বৰ মুখ্য উদ্ভাৱক। এটা গুণ বা বৈশিষ্ট্য হ'ল ব্যক্তিত্বৰ এটা গতিশীল দিশ, ইয়াক জুখিব পাৰি আৰু ই এগৰাকী ব্যক্তিৰ ব্যৱহাৰ সম্বন্ধে বৰ্ণনা কৰিব পাৰে।

দিশ হিচাপে গুণ বা বৈশিষ্ট্যবোৰ

বৰ্ধিত ধনাত্মক মূৰৰ পৰা একেবাৰে ধনাত্মক মূৰলৈ নিৰবিচ্ছিন্নভাৱে জোখৰ পৰিমাণৰ স্কেল হিচাপে পৰিমাণগত হিচাপে লাভ কৰা যায়। এটা অৰ্থপূৰ্ণ মানৰ ব্যক্তিত্বৰ জোখ ল'বলৈ হ'লে দিশবোৰ স্পষ্ট হ'ব লাগিব আৰু এগৰাকী ব্যক্তিৰ বহুদিনীয়া বৈশিষ্ট্য থাকিব লাগিব।

গুণগত তত্ব অনুসৰি আমি যদি নিজে কিছুমান প্ৰাথমিক বৈশিষ্ট্যৰ প্ৰতি দৃঢ় হওঁ (যিবোৰ মানুহৰ ব্যক্তিত্বৰ বাবে স্পষ্ট হয়) তেতিয়া ইয়াক বৰ্ণনা কৰোতে সহজ হোৱা উচিত। তাত্বিকসকলে প্ৰায়ে বৈশিষ্ট্য (সংলক্ষণ)বোৰৰ মাজত পাৰ্থক্য দেখুৱায়, যিবোৰ পঢ়ি পৰ্যবেক্ষণ কৰা হয়, মূল ব্যক্তিত্বৰ ওচৰ চপা হয় আৰু যিবোৰ গভীৰ হয়। গুণগত তত্বৰ এটা পদ্ধতিয়ে পঢ়ি পৰ্যবেক্ষণ কৰা গুণ বা লক্ষণ বৰ্ণনা কৰিছে এই পৰ্যবেক্ষণ কৰা গুণটোক পৃষ্ঠ ওপৰৰ লক্ষণ আৰু গভীৰটোক উৎস লক্ষণ হিচাপে বৰ্ণনা কৰিছে।

**বাৰটা প্ৰাথমিক সংলক্ষণ /বৈশিষ্ট্য**

| | | | |
|---|---|---|---|
| ১। | চাইক্লোঠাইমিয়া আবেগিকভাৱে প্ৰকাশ কৰা খোলা আৰু সোনকালে উত্তেজিত নোহোৱা মানুহ (Placid)। | বনাম | চিজোথেমিয়া সংৰক্ষিত, বন্ধ মুখীয় খঙাল |
| ২। | সাধাৰণ মানসিক ক্ষমতা বুধিয়ক, আগবঢ়া, ধনাত্মক মনৰ | বনাম | মানসিক বিজুতি, বুধিয়ক নহয়, মূৰ্খ আৰু নিষ্ক্ৰিয়। |
| ৩। | আবেগিকভাৱে স্থিৰ (স্নায়ুজনিত চিহ্নৰ পৰা মুক্ত জীৱন সম্পৰ্কে বাস্তৱবাদ | বনাম | আৱেগিকভাৱে স্নায়ুজনিত, স্নায়ুজনিত চিহ্ন, অপৈণত, (evasive)এৰি চলা |
| ৪। | প্ৰভাৱাঞ্চিত আত্ম-ইতিবাচক, বিশ্বাস, আক্ৰমণাত্মক (Aggressive)। | বনাম | অইনৰ দ্বাৰা পৰিচালিত Submissiveness অনিশ্চিত, নজৰ সন্তোষ |
| ৫। | (Surgency) সামৰ্থ, আনন্দপূৰ্ণ, সুন্দৰ (humorous, witty) | বনাম | অসামৰ্থ, (Desurgency) হতাশ, নিৰাশা (depressed) Pessimistic মূৰ্খ (dull)। |
| ৬। | ধনাত্মক চৰিত্ৰ সংৰক্ষণ, মানুহৰ প্ৰতি মনোযোগ | বনাম | নিৰ্ভৰশীল চৰিত্ৰ, চঞ্চল Dependent character) )fickle (negleetful |

টোকা

| | | |
|---|---|---|
| | | of Social clurs অনিচ্ছা সত্ত্বেও কৰা সামাজিক কাম। |
| ৭। | সুবিধা, আবেগিক ওখ আৰু চাপৰৰ ৰোগ। (Adventurous Cyclothymia) মানুহ লগ কৰি ভাল পোৱা শক্তিশালী বিপৰীত লিংগৰ প্ৰতি আনুগত্য। | বনাম উঠাই লোৱা, খং, লাজ, বিপৰীত লাজ, বিপৰীত লিংগৰ প্ৰতি লাজ কৰা। Withdrawn Schizothyomia Likes meeting people, strong Shy, little interest in oppositesex |
| ৮। | অনুভূতিশীল আবেগিকভাৱে আত্মনিৰ্ভৰশীল, অপৈণত, পৰিপক্ক। gregarious, attentionseeking | বনাম পৰিপক্কতা, সমস্যাজনিত স্বাধীনতাৰ পিছৰ মন আত্ম সন্তুষ্টি। Mature:Tough, Posed Independent-minded, Self-sufficient |
| ৯। | সমাজবাদী, সাংস্কৃতিক মন Polished, poised যৌগিক introspective, sensitive | বনাম সদৃশতা, কষ্টকৰ, সামাজিকভাৱে সাৰধান, কঠোৰ Boorishness, Awkward, socially clumsy,crude। |
| ১০। | বিশ্বাসী, Cyclothymic বিশ্বাসীবোধ। | বনাম Parancis সন্দেহজনক খঙাল। |
| ১১। | বোহেমিয়ান, কোনো বস্তুৰ প্ৰতি আগ্ৰহী নহয়, বিশ্বাসী, অস্বাভাৱিক, উপযুক্ত বুৰঞ্জীমূলক দিশ। | বনাম (Conventional Practically Uncoventional, Unemotional) পৰম্পৰাগতভাৱে ব্যৱহাৰিক, পৰম্পৰাগত আবেগিক। |
| ১২। | Sophistication Logical mind, cool, aloof বিবেক, যুক্তিপূৰ্ণ মন, ঠাণ্ডা, মিলিজুলি নথকা। | বনাম সৰলতা, ভাবি থকা, Sentimental mind, attentive to people মন, মানুহৰ প্ৰতি মনোদ্যোগ। |

## 3.4.2. ব্যক্তিত্বৰ মনোবিশ্লেষণমূলক তত্ব ঃ

(ক) ব্যক্তিত্বৰ চিগমাইড'ৰ তত্ব ঃ

চিগমাণ্ড ফ্ৰয়েড 1856-1939 মনোবিশ্লেষণৰ প্ৰতিষ্ঠাপক। তেখেতৰ মনোবিশ্লেষণমূলক তত্বটো গতিশীল আৰু কল্পনাৰ ওপৰত প্ৰতিষ্ঠিত যাতে ব্যক্তিত্ব আৰু ব্যক্তিত্বৰ বিকাশে সংঘৰ্ষৰ বিষয়ে নিৰ্ণয় কৰা হয় আৰু যিবোৰ ঘটনা প্ৰকৃততে অসাৰদান আৰু গভীৰ অধ্যয়নৰ জৰিয়তেহে বুজিব পাৰি। ফ্ৰয়েডে ব্যক্তিত্বৰ আভ্যন্তৰীণ বিভাগবোৰ ইড, ইগ আৰু ছুপাৰ ইগ' এই তিনিটাৰ ধাৰণা লৈ গঠন কৰিছিল। ব্যক্তিত্ব

টোকা

ইয়াৰ প্ৰত্যেকটোৰে (ব্যক্তিত্বৰ দিশবোৰেঃ ইটোৱে সিটোৰ লগত) বিশেষকৈ এটাৰ লগত বাকী দুটাৰ সম্পৰ্ক আছে। ব্যক্তিত্বক তিনিচকাযুক্ত পদ্ধতি তন্ত্ৰ বুলি কোৱা হয়। যিহেতু ব্যক্তিত্বত ইড, ইগ আৰু চুপাৰ ইগ অন্তৰ্ভুক্তি হৈ থাকে।

ইড হ'ল সম্পূৰ্ণ অসাৱধান/ অসচেতন।

ইগ' হ'ল আংশিকভাৱে অসচেতন।

ছুপাৰ ইগ' - হ'ল সম্পূৰ্ণ সচেতন। ইড হৈছে ব্যক্তিত্বৰ প্ৰাথমিক দিশ।

ফ্ৰয়েডে বিশ্বাস কৰিছিল যে ইও হ'ল অন্ধ প্ৰবৃত্তিৰ সমষ্টি। ইয়াৰ কোনো যুক্তিপূৰ্ণ সংগঠন নাই। অৱশ্যে অমিল প্ৰবৃত্তি কিছু পৰিমাণে কাষে কাষে থাকিব পাৰে। ইড হ'ল নীতিহীন। ইয়াৰ কোনো মূল্যবোধৰ অনুভূতি নাই। ভাল আৰু বেয়াৰ মাজত ই পাৰ্থক্য দেখুৱাব নোৱাৰে। ই সন্তুষ্টিমূলক নীতিৰ দ্বাৰা প্ৰভাৱন্বিত হয়।

ইড প্ৰক্ৰিয়াটো অসচেতন।

ইড হ'ল ব্যক্তিত্বৰ ক্ৰিয়াত্মক আৰু অসচেতন দিশ।

**লিবিড' আৰু শৈশৱকালীন যৌনতা**

লিবিড' হ'ল ইড'ৰ সেই অংশ যি অংশই সম্পূৰ্ণৰূপে যৌন কাৰ্যৰপৰা সন্তুষ্টি বিচাৰে। যৌন সন্তুষ্টি, অন্য সন্তুষ্টিৰ দৰে আৰু ব্যক্তিৰ স্বাভাৱিক প্ৰয়োজনীয়তা বুলি বিবেচনা কৰা হয়। ফ্ৰয়েডে ইয়াক এটা জীৱৰ সম্পূৰ্ণ পৰিশ্ৰম বুলি বিবেচনা কৰিছে। ফ্ৰয়েডে এইটো কথাত জোৰ দিছিল যে জীৱৰ দেহত লিবিডো সদায় থাকে, আনকি কেঁচুৱাৰ দেহতো থাকে। প্ৰত্যেক শিশুৱে এটা জৈৱিকবাৰে নিৰ্ণয়কৰা যৌন উত্তেজনাসহ জন্ম লাভ কৰে। লিবিডো তলত দিয়া ক্ষেত্ৰ/অঞ্চলসমূহৰ জৰিয়তে উত্তেজিত কৰিব পাৰি-

1. মৌখিক ক্ষেত্ৰ ঃ জন্মৰ পৰা 2 বছৰলৈ এই ক্ষেত্ৰত, শিশুৱে ওঁঠযুৰি চুহি সন্তুষ্টি লাভ কৰে।
2. পায়ু ক্ষেত্ৰ 2 ৰ পৰা 3 বছৰলৈ শিশুৱে পায়ুত বল দি বা পায়ুত হস্ত সঞ্চালন কৰি সন্তুষ্টি লাভ কৰে।
3. জননেন্দ্ৰিয় ক্ষেত্ৰ বা যৌনাংগ ঃ 3ৰ পৰা 5 বছৰলৈ শিশুৱে যৌনাংগ স্পৰ্শ কৰি সন্তুষ্টি লাভ কৰে।
4. লুকাই থকা স্তৰ ঃ 6 বছৰৰ পৰা প্ৰায় 13 বছৰলৈ সমাজৰ হেঁচাৰ বাবে এই স্তৰত শিশুৱে যৌনতাৰ পৰা বিৰত থাকে।
5. স্থিৰ স্তৰ ঃ বয়ঃসন্ধিৰ এই সময়ত শিশুৰ সমকামী আৰু বিষয়কামী যৌনতাৰ প্ৰতি আগ্ৰহৰ বিকাশ হয়।

   ফ্ৰয়েডে জানিছিল যে তেখেতৰ বেছিভাগ বেমাৰীয়ে যৌন অসন্তুষ্টিৰ দৰে যৌন ৰোগত ভুগিছিল।

টোকা

যৌন বাসনাৰ পৰিতৃপ্তিয়ে এগৰাকী ব্যক্তিৰ সমন্বিত ব্যক্তিত্বৰ বিকাশত সহায় কৰে।

(খ) **আলফ্ৰেড এড্‌লাৰ (1870-1937)**

এড্‌লাৰৰ মতে যৌন প্ৰবৃত্তিতকৈ আত্মসন্তুষ্টিয়ে হৈছে প্ৰধান চালক। আলফ্ৰেডৰ তত্বই ফ্ৰয়েডে যৌনতাৰ যিদৰে যৌনতাৰ ওপৰত বেছি মন দিছিল, এই তত্বই ব্যক্তিত্বত যৌনতাৰ ভূমিকাত কম গুৰুত্ব দিছিল। এড্‌লাৰে ভাবিছিল যে প্ৰত্যেক ব্যক্তিয়ে এটা শুদ্ধ/সুন্দৰ জীৱন শৈলীৰ বিকাশ কৰিবলৈ পৰিশ্ৰম কৰে য'ত যৌন চালকৰ ভূমিকা কম। এড্‌লাৰে ভাবিছিল যে আৰম্বণিতে হীনমান্যতাৰ ভাব বিকাশৰ বাবে শৈশৱ কালৰ প্ৰতিকূল অৱস্থাই হ'ল প্ৰধানকৈ দায়ী। এই হীনমান্যতাৰ ভাবটো অসম্পূৰ্ণতা বা অশুদ্ধতাৰপৰা উদ্ভৱ হয়। ই এটা উচ্চ পৰ্যায়ৰ বিকাশৰ বাবে কষ্ট কৰাত সহায় কৰে। আমি এই ক্ষেত্ৰত demosthenesৰ উদাহৰণ দিব পাৰো- যিজনে শিশু হিচাপে sturrered আছিল কিন্তু পাছত তেখেত বিশ্বৰ এগৰাকী আটাইতকৈ ডাঙৰ বক্তা হৈছিল। একেধৰণে আমেৰিকাৰ ৰাষ্ট্ৰপতি কৈশোৰ অৱস্থাত দুৰ্বল আছিল, কিন্তু পাছত শ্ৰেণীবদ্ধ ব্যায়াম কৰি এগৰাকী শাৰীৰিকভাৱে শক্তিশালী লোক হৈছিল গৈ। এগৰাকী ব্যক্তিৰ ব্যৱহাৰে উচ্চ মনোভাৱ লাভ কৰিবলৈ হ'লে হীনমান্যতাৰ ভাব পৰিত্যাগ কৰিব লাগে। এজন ব্যক্তিয়ে উচ্চভাৱ সম্পন্ন হ'বলৈ কঠোৰ পৰিশ্ৰম কৰিব পাৰে। এইক্ষেত্ৰত বহুতো উপায় আছে—জীৱন শৈলীয়ে নীতি হ'ব পাৰে যাৰ জৰিয়তে ব্যক্তিৰ ব্যক্তিত্বই কাম কৰে। জীৱনৰ শৈলী দুটা কাৰকেৰে গঠিত হয়। যেনে — ব্যক্তি এজনৰ নিজৰ শৈলী আৰু পৰিৱেশত থকা হেঁচা।

এগৰাকী ব্যক্তিৰ জীৱন শৈলীৰ ওপৰত শৈশৱকালৰ বহু প্ৰভাৱ আছে। এড্‌লাকে বিশ্বাস কৰিছিল যে প্ৰত্যেক ব্যক্তিয়ে বংশগতিৰ বাহিৰেও আত্মগঠন সৃষ্টি কৰে আৰু পৰিৱেশৰ পৰা পোৱা প্ৰভাৱ সৃষ্টি কৰে।

এড্‌লাৰে কৈছিল যে যদি জীৱনশৈলী যান্ত্ৰিক হয়, আত্ম সৃজনশীলতা (নিজৰ সৃষ্টি কৰাটো) সৃষ্টিশীল ব্যক্তিত্ব সৃষ্টি হয় আৰু আগতে নোহোৱা কিবা এটা সৃষ্টি হয়। নিজে সৃষ্টিশীল হ'লে জীৱন অৰ্থপূৰ্ণ হয় বা আত্ম সৃষ্টিশীলতাই জীৱন অৰ্থপূৰ্ণ কৰে। ই প্ৰতিপালনৰ জৰিয়তে প্ৰভাৱিত হয়। এড্‌লাৰে সামাজিক পাৰস্পৰিক ক্ৰিয়াৰ ওপৰত বেছি জোৰ দিছিল। অইনৰ উপকাৰৰ বাবে কাম কৰি এজনৰ দুৰ্বলতা আৰু হীনমান্যতাৰ জটিলতাৰ লগত বুজাবুজি কৰিব পাৰি। ইয়ে ব্যক্তিজনৰ উচ্চভাৱ সম্পন্ন ভাব প্ৰকাশ কৰাত সহায় কৰিব।

(গ) কাৰ্ল জাংগ (1875-1961) জাংগয়ে অন্তৰ্মুখী আৰু বহিৰ্মুখী ধাৰণাৰ ক্ষেত্ৰত ব্যক্তিত্বৰ বিবেচনা কৰিছিল যিবোৰ আমাৰ সদায় কোৱা কথাৰ অংশ হয়। জাংগৰ মতে, মানসিক কাৰ্যত চাৰিটা প্ৰভাৱশালী কাৰক আছে— ● অনুভূতি ● চিন্তন ● স্বাভাৱিক/সহজতে জ্ঞান ● অনুভৱ।

ভবা আৰু অনুভৱ কৰা দুয়োটা বিপৰীত মেৰুত থাকে আৰু দুয়োটা একে সময়তে ব্যক্তিৰ গাত সদায় থাকে। যদি সি/তাইৰ প্ৰভাৱশালী মানসিক কাৰ্যটো চিন্তন হয়

টোকা

তেতিয়া ব্যক্তিজনৰ অসচেতনতাখিনি অনুভৱলৈ পৰিবৰ্তন হয়। একেদৰে অনুভূতি আৰু সহজাত জ্ঞান বিপৰীতমুখী। দুয়োটাই একে সময়তে ব্যক্তিৰ গাত কাৰ্যকৰী হৈ থাকে। বহিৰ্মুখী আৰু অন্তৰ্মুখী ব্যক্তিত্বৰ সাধাৰণ বৈশিষ্ট্যসমূহ ঃ

| বহিৰ্মুখী | অন্তৰ্মুখী |
|---|---|
| ১। কথা নোৰোৱাকৈ একেধাৰে ক'ব পাৰে | ১। কথা কোৱাতকৈ ভালকৈ লিখিব পাৰে। |
| ২। দুখ-কষ্টৰ পৰা মুক্ত। | ২। দুখ-কষ্টৰ লগত জড়িত। |
| ৩। অইনৰ সৈতে কাম কৰি ভাল পায় | ৩। অকলে কাম কৰি ভাল পায়। |
| ৪। বন্ধু সুলভ | ৪। নিজক আচুতীয়াকৈ ৰাখে। |
| ৫। সহজে লাজ নকৰে। | ৫। সহজে লাজ কৰে। |
| ৬। খেলি ভাল পায় | ৬। কিতাপ, আলোচনী পঢ়ি ভাল পায়। |
| ৭। বস্তুগত তথ্যৰ দ্বাৰা পৰিচালিত হয়। | ৭। বিষয়গত ভাৱৰ দ্বাৰা বেছি প্ৰভাৱান্বিত |
| ৮। নমনীয় আৰু অভিযোজিত | ৮। নমনীয়তাৰ অভাৱ |
| ৯। ব্যক্তিগত স্বত্বক অৱহেলা কৰা | ৯। এইবোৰৰ বিষয়ে যত্নশীল। |
| ১০। খুটখুটীয়া | ১০। বশ্যতা স্বীকাৰ কৰে। |
| ১১। শংকিত নহয় | ১১। আশংকিত |
| ১২। জনপ্ৰিয় | ১২। জনপ্ৰিয় নহয় |

কেতিয়াবা অন্তৰ্মুখী আৰু বহিৰ্মুখী ব্যক্তিত্বৰ বৈশিষ্টবোৰ বেছিভাগ লোকেই দেখুৱায় আৰু দুয়োটা বৈশিষ্ট্য দেখুৱালে উচ্চমুখী ব্যক্তিত্বৰ গৰাকী বুলি কোৱা হয়।

স্পষ্টত ঃ যত বহু ধৰণৰ সংঘৰ্ষ আৰু বিভিন্ন ইচ্ছাবোৰ সংগীতময়ী হয় তাতেই একপক্ষীয় বিকাশৰ এটা ডাঙৰ বিপদ থাকে। ব্যক্তিৰ ব্যক্তিত্বৰ এটা দিশে প্ৰভাৰী হ'বলৈ ইচ্ছা কৰিলে আৰু সম্পূৰ্ণৰূপে অন্য দিশলৈ ধাৱমান হয়।

জাংগে বিশ্বাস কৰিছিল যে সম্পূৰ্ণ ব্যক্তিত্বৰ তিনি ধৰণৰ উপাদান আছে যেনে — সচেতনমূলক ইগ, ব্যক্তিগত অসচেতনতা আৰু সমষ্টিগত অসচেতনতা।

(ক) সচেতনমূলক ইগ' ঃ প্ৰকৃততে 'হোৱা' ত চিন্তনৰ সচেতন মূলক দিশ, অনুভৱ আৰু স্মৰণ নিহিত হৈ থাকে।

(খ) ব্যক্তিগত অসচেতনতা ঃ

ইয়াত ব্যক্তিৰ দমন কৰা আৰু নিবাৰণ কৰা অভিজ্ঞতা অন্তৰ্ভুক্ত হৈ থাকে যিবোৰ সচেতন হ'বলৈ ধাৱমান।

(গ) সমষ্টিগত অসচেতনতাই আদিম প্ৰকৃতিৰ। এইটো এটা ভঁৰাল সদৃশ'ৰ পৰা ন্য সকলো তন্ত্ৰ/পদ্ধতি সৃষ্টি হয়।

টোকা

**অগ্ৰগতি নিৰীক্ষণ - 2**

ব্যক্তিত্বৰ তত্ববোৰৰ নাম লিখক আৰু যিকোনো দুটা তত্বৰ বিষয়ে চমুকৈ বৰ্ণনা কৰক।

.................................................................................................

.................................................................................................

.................................................................................................

## 3.5 ব্যক্তিত্বৰ বিকাশ

এই শিতানত আমি ব্যক্তিত্বৰ বিভিন্ন দিশৰ বিকাশ কিদৰে হয়, সেই কথা আলোচনা কৰিম।

ব্যক্তিত্বৰ বিকাশৰ বিভিন্ন দিশবোৰ হ'ল— আত্ম/ধাৰণা, অভিৰোচন, মনোভাব আৰু মূল্যবোধ

### 35.1 আত্ম ধাৰণা ঃ

এজন ব্যক্তিৰ ব্যক্তিত্বৰ বিকাশ তেওঁৰ বিষয়ে কৰা মতামতৰ ওপৰত বহুলভাৱে নিৰ্ভৰ কৰে। হঠাৎ অপ্ৰত্যাশিতভাৱে হোৱা এটা ধনাত্মক আত্ম ধাৰণাই এটা সু-প্ৰতিষ্ঠিত ব্যক্তিত্বৰ বিকাশত সহায় কৰে। সেই কাৰণে এইটো দৰকাৰ যে শিশুক ছাত্ৰ-ছাত্ৰীক আৰম্ভণিৰ পৰা শিকিবলৈ প্ৰস্তুত কৰি তোলা হয়, সমাজত বাঞ্চিত আত্মধাৰণা বিকাশ কৰিবলৈ শিকোৱা হয়। ছাত্ৰ-ছাত্ৰীৰ দৰে নিজৰ মতামতক আত্মধাৰণা বোলে (তলত চিত্ৰত দেখুৱাৰ দৰে)



পৰিৱেশৰ য'ত ছাত্ৰ/ছাত্ৰীয়ে বাস কৰে (সেই পৰিৱেশক) আত্ম দৃশ্য সম্বন্ধীয় আৰু পৰিৱেশৰ বাকী অংশক যাৰ বাবে সি/তাই সজাগ হয় বা যাৰ বাবে সি/তাই দ্বায়বদ্ধ তাক কোৱা হয় দৃশ্য সম্বন্ধীয় পৰিৱেশ বা ইন্দ্ৰিয়ৰ দ্বাৰা অনুভৱ কৰা পৰিৱেশ বোলে, আত্ম নহয়। আত্ম ধাৰণা হ'ল এজনব্যক্তিয়ে সি /তাইৰ প্ৰকৃত স্বকীয়তাৰ বিষয়ে যি চিন্তা কৰে যেনে-, 'এইজন মই'।

সদ্যজাত শিশু/কেঁচুৱা এটাই পৃথিৱীখনক এটা খেলিমেলি জনসাধাৰণৰ সমষ্টি বুলিহে ভাবে। লাহে লাহে যেতিয়া /সি/তাই ডাঙৰ হয়, তেতিয়াহে পাৰ্থক্যবোৰ বুজি



টোকা

পোৰা হয়। সি/তাই লাহে লাহে নিজৰ বস্তুবোৰৰ মাজৰ পাৰ্থক্য বুজিবলৈ আৰম্ভ কৰে। সি/তাই জনা পৃথিৱীখনৰ প্ৰতি প্ৰতিক্ৰিয়া কৰে। বয়সৰ পৰিপক্কতাৰ লগে লগে কোনো ব্যক্তি ইন্দ্ৰিয়ৰ দ্বাৰা বুজা শক্তিৰ পৰিবৰ্তন হয়। এই পৰিবৰ্তনৰ লগে লগে ব্যক্তিৰ ব্যৱহাৰৰো পৰিবৰ্তন ঘটে। প্ৰশংসা আৰু দোষ দিয়া, পুৰস্কাৰ আৰু শাস্তি আৰু শিক্ষকৰ ব্যক্তিত্বই ছাত্ৰ-ছাত্ৰীৰ আত্ম ধাৰণাত প্ৰভাৱ বিস্তাৰ কৰে। মহৎলোকৰ জীৱনে ধনাত্মক আত্মধাৰণা বিকাশৰ বাবে ছাত্ৰ-ছাত্ৰীক অভিৰোচিত কৰে। সেইবাবে ছাত্ৰ-ছাত্ৰীক মহৎ লোকৰ জীৱনীৰ বিষয়ে পঢ়িবলৈ দিব লাগে। এইদৰে শিক্ষক এজনে প্ৰকৃত বাস্তৱ লক্ষ্যত উপনীত হোৱাৰ বাবে ছাত্ৰ-ছাত্ৰীক নিৰ্দেশনা দিয়া উচিত। অবাস্তৱ লক্ষ্যৰ গাঁথনিয়ে পৰাজয় আৰু হতাশ আনে।

## 3.5.2. অভিৰোচন

অভিৰোচন হৈছে-

এটা বা ততোধিক ফলাফলৰ বাবে কাম কৰাৰ বাবে ইচ্ছা জাগৃত কৰা প্ৰক্ৰিয়া।

অভিৰোচন হৈছে, কাম কৰাৰ বাবে ইচ্ছা জগোৱা, গ্ৰহণ কৰোৱা আৰু কৰ্ম নিয়ন্ত্ৰণ কৰা প্ৰক্ৰিয়া।

**শ্ৰেণীকোঠাত অভিৰোচন ঃ বিভিন্ন কৌশল ঃ** শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীসকলে শিক্ষকৰ পৰা নিৰবিচ্ছিন্ন অভিৰোচনৰ প্ৰয়োজন হয়, যাতে তেওঁলোকৰ অভিৰোচনৰ বিকাশৰ বাবে তেওঁলোকৰ বুদ্ধিৰ উত্তম প্ৰয়োগ কৰিব পাৰি।

যিহেতু ব্যক্তিত্বৰ ভিন্নতা অনুসৰি আৰ্থ সামাজিক পটভূমি অনুসৰি ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজনবোৰো বেলেগ বেলেগ হয়, সেইবাবে শিক্ষকসকলে অভিৰোচন কৰা কৌশল সমূহ বেলেগ বেলেগ ধৰণে, বিচাৰ কৰি কৰিবলগীয়া হয়।

অন্য কথাত প্ৰত্যেক ছাত্ৰ-ছাত্ৰীক লক্ষ্যত উপনীত হ'বলৈ আৰু লক্ষ্যৰ প্ৰতি সজাগ হ'বলৈ পৰিচালিত কৰা উচিত।

দ্বিতীয়তে লক্ষ্যবোৰ ছাত্ৰ-ছাত্ৰীয়ে ঢুকি পোৱাৰ ভিতৰত হ'ব লাগে আৰু তেওঁলোকে উপনীত হ'ব পৰা বিধৰ হোৱা উচিত।

তৃতীয়তে তেওঁলোকে লক্ষ্যত উপনীত হোৱাতে নহয় তেওঁলোকে যদি এই ক্ষেত্ৰত চেষ্টা কৰি বিফল হয়, কেনেকৈ বিফল হয় তাৰ বিচাৰো কৰা উচিত।

চতুৰ্থতে এগৰাকী শিক্ষকে ক্ষুব্ধ আৰু উগ্ৰ মনোবৃত্তিৰে এটা অভিৰোচনৰ কৌশল প্ৰয়োগ কৰিব নালাগে, তেখেতে সকলো কৌশল বিচাৰ কৰি, বৈজ্ঞানিক ভিত্তিতহে প্ৰয়োগ কৰিব লাগে।

**(১) আকৰ্ষণীয় ভৌতিক আৰু পৰিৱেশীয় অৱস্থাসমূহ ঃ**

প্ৰথমে সকলো শিক্ষকে শ্ৰেণীকোঠাৰ ভৌতিক অৱস্থাসমূহলৈ মন দিয়া উচিত। শ্ৰেণীকোঠাৰ ভিতৰে বাহিৰে কোনো ধৰণৰ ছাত্ৰ-ছাত্ৰীয়ে অন্যমনস্ক হোৱা কাৰক থকা উচিত নহয়। গোলমাল, উগ্ৰ পোহৰ কিছুমান অবাঞ্চিত দৃশ্যই প্ৰায়ে ছাত্ৰ-ছাত্ৰীক

টোকা

মনোযোগ নোহোৱা কৰে আৰু সেইদৰে আগ্ৰহ নোহোৱা কৰে। অস্বাভাৱিক উষ্ণতা ও এটা বিশৃংখলতাৰ উপাদান সেইদৰে বিৰক্তিকৰ। একেধৰণৰ কথাই শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীক শ্ৰেণীকোঠাত বিৰক্তি দিয়ে।

শ্ৰেণীকোঠাবোৰ বতাহ সোমাব আৰু ওলাব পৰা আৰু পৰীক্ষণীয়ভাৱে সজ্জিত হোৱা উচিত। বিদ্যালয় চৌহদত ফুলৰ গছ ৰোৱা উচিত। সকলো ঠাইতে পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ ওপৰত যথেষ্ট পৰিমাণে গুৰুত্ব দিয়া উচিত।

**(২) সহজাত উত্তেজনাৰ উন্নতিকৰণ ঃ**

সাধাৰণতে সৰু সৰু ছাত্ৰ-ছাত্ৰীবোৰৰ বেছিভাগৰে ব্যৱহাৰবোৰ সিহঁতৰ সহজাত উত্তেজনাৰ দ্বাৰা নিয়ন্ত্ৰিত হয়। সৰু ল'ৰা-ছোৱালীবোৰ স্বাভাৱিকতে ঔৎসুক। সিহঁতে বহুত বস্তু কৰি ভাল পায়। প্ৰতিটো নতুন আৰু আচৰিত বস্তুৱে সিহঁতক আকৰ্ষণ কৰে। এগৰাকী যোগ্য শিক্ষকে এই ঔৎসুকতাৰ উত্তেজনাবোৰ নিয়ন্ত্ৰণ কৰে। তেখেতে সদায় পাঠটো আৰম্ভ কৰোতে একেধৰণৰ কিছুমান নতুন আৰু আচৰিত বস্তু ছাত্ৰ-ছাত্ৰীক দেখুৱাব লাগে। একে ধৰণে ছাত্ৰ-ছাত্ৰীসকলেও বস্তু গঠন কৰি ভাল পায়। এই ক্ষেত্ৰত শিক্ষকে ছাত্ৰ-ছাত্ৰীক নতুন বস্তু সৃষ্টি কৰি আৰু গঠন কৰি শিকাত উৎসাহ জগোৱা উচিত।

**(৩) শিক্ষকৰ পৰিচালনাৰ প্ৰকৰণ ঃ**

সাধাৰণতে এইটো লক্ষ্য কৰা যায় যে ছাত্ৰ-ছাত্ৰীসকলে বহু সময় ধৰি একেটা কামত লাগি থাকিবলৈ সামৰ্থ্য নহয়/শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ ফলপ্ৰসূতা শিক্ষকগৰাকীয়ে ব্যৱহাৰ কৰা প্ৰকৰণৰ ওপৰত নিৰ্ভৰ কৰে। শ্ৰেণীকোঠাত ব্যৱহাৰ কৰা প্ৰকৰণৰ ভিতৰত পৰা শিক্ষকৰ কিছুমান সাধাৰণ ব্যৱহাৰবোৰ তলত দিয়া হ'ল—

(ক) শিক্ষকৰ অহা যোৱা (চালচলন)

(খ) শিক্ষকৰ ইংগিত

(গ) কথা কোৱাৰ ধৰণৰ পৰিবৰ্তন

(ঘ) ইন্দ্ৰিয়ৰ প্ৰকাশত পৰিবৰ্তন

(ঙ) অৱস্থানৰ পৰিৱৰ্তন

**(৪) পুনৰ সৰলীকৰণ ঃ প্ৰশংসা আৰু দোষী সাব্যস্ত কৰা**

এইবোৰ তলত দিয়া ধৰণে শ্ৰেণীবিভাগ কৰা হয়।

**(ক) ইতিবাচক মৌখিক পুনৰ সৰলীকৰণ ঃ**

ছাত্ৰ-ছাত্ৰীৰ এটা উত্তৰৰ ওপৰত ভিত্তি কৰি শিক্ষক এগৰাকীয়ে ভাল, ধুনীয়া, অতি সুন্দৰ, শুদ্ধ হৈছে ইত্যাদি শব্দ ব্যৱহাৰ কৰি ছাত্ৰ-ছাত্ৰীৰ পৰা ভাল প্ৰত্যুত্তৰ পায়।

(খ) ধনাত্মক/ইতিবাচক অ-মৌখিক

সবলীকৰণ ইয়াৰ লগত অন্তৰ্গত হ'ল-

- মূৰ দুপিওৱা/নমস্কাৰ কৰা আহি হাঁহি দিয়া।



টোকা

- শিক্ষকৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজলৈ বন্ধুত্বপূৰ্ণ অহা যোৱা
- শিক্ষকৰ বন্ধুত্বপূৰ্ণ চাৱনি
- ছাত্ৰ-ছাত্ৰীয়ে কোৱা কথাবোৰ বোৰ্ডত লিখা কাৰ্য।

(গ) ধনাত্মক অ-মৌখিক - ইয়াত জড়িত দিশসমূহ - ভাৱভংগী, ভেঙুচালি, অৱজ্ঞা, চকু থিয় কৰা, বিৰক্তিভাৱ প্ৰকাশ কৰা, অধৈৰ্য ইত্যাদি।

(ঘ) ঋণাত্মক মৌখিক ইয়াত জড়িত দিশসমূহ- যেনে নহয়/নাই, ভুল, ভাল নহয়, বেয়া, অৱশ্যে নহয় ইত্যাদি।

**(৫) বহিৰ্ভূত শিকন পুৰস্কাৰ আৰু শাস্তি ঃ**

ছাত্ৰ-ছাত্ৰীক পুৰস্কাৰ আৰু শাস্তি দিয়া প্ৰক্ৰিয়াটোক সৰলীকৰণ বোলে। পুৰস্কাৰবোৰ বস্তুগত বা প্ৰতীকীয় আৰু মনোবিজ্ঞানীক যি কোনো হ'লেও এইবোৰে ছাত্ৰ-ছাত্ৰীৰ নিৰাপত্তাৰ ক্ষেত্ৰত সন্তোষ দিয়ে আৰু সন্তুষ্টি বৃদ্ধি কৰে।

নিজৰ স্থিতি আৰু প্ৰয়োজনীয় লক্ষ্য আৰু এইবোৰে উদ্যোগীৰ দৰে অভিনয় কৰিবলৈ সামৰ্থ্য কৰে।

বস্তুগত পুৰস্কাৰে পিছপৰা ছাত্ৰ-ছাত্ৰীক ভালকৈ কাম কৰিবলৈ সক্ষম আৰু প্ৰতীকীয় বস্তুৰে ধনী পৰিয়ালৰ পৰা অহা ছাত্ৰ-ছাত্ৰীক ভালকৈ কাম কৰিবলৈ সক্ষম কৰিব পাৰিব যেন অনুমান কৰা হয়।

**(৬) সন্তুষ্টি আৰু দুখ (আনন্দ আৰু দুখ) ঃ**

ব্যৱহাৰৰ আটাইতকৈ পুৰণি তত্ব অনুসৰি কোনো এজন ব্যক্তিয়ে সন্তুষ্টি পোৱা আনন্দদায়ক অভিজ্ঞতাৰ পিছত কষ্টকৰ অভিজ্ঞতাবোৰৰ পৰা আঁতৰি থাকে। এই তত্বটোৰ শ্ৰেণীকোঠাৰ শিকন সজাগতাৰ ক্ষেত্ৰত প্ৰত্যক্ষ প্ৰয়োগ আছে। শিক্ষক এজনে ভৱিষ্যৎ শিকনৰ বাবে অভিৰোচিত হ'বৰ বাবে ছাত্ৰ-ছাত্ৰীক আনন্দ আৰু সন্তোষজনক অভিজ্ঞতা দিবই লাগিব।

**(৭) উপনীত হ'বলগীয়া লক্ষ্য ঃ**

প্ৰতিটো পাঠত উপনীত হ'বলগীয়া এটা লক্ষ্য থকা উচিত। কেৱল এটা বিশেষ দিশত উপনীত হ'বৰ বাবে ছাত্ৰ-ছাত্ৰীয়ে নিজৰ প্ৰচেষ্টা চলাই থাকিবলৈ সজাগ হ'ব পাৰে। উপনীত হ'বলগীয়া লক্ষ্যটো ছাত্ৰ-ছাত্ৰীৰ বাবে চেষ্টা হ'বই লাগিব।

**(৮) কৃতকাৰ্যতাৰ অভিজ্ঞতা ঃ**

কৃতকাৰ্যতাৰ অভিজ্ঞতাই এগৰাকী শিশুক এটা কাৰ্য কৰি থাকিবলৈ অভিৰোচিত কৰে। শিক্ষকে সেইবাবে বিদ্যালয়ৰ দুবিধ কাম যেনে - কাৰিকুলাম আৰু সহ-কাৰিকুলামৰ আদি কামত ছাত্ৰ-ছাত্ৰীয়ে নিজৰ স্তৰ অনুযায়ী কৃতকাৰ্যতাৰ অভিজ্ঞতা লাভ কৰিবলৈ সুবিধা পায়। ছাত্ৰ-ছাত্ৰীয়ে ঘনাই আৰু নিয়মীয়া কৃতকাৰ্যতাৰ অভিজ্ঞতা নিশ্চিত কৰিব লাগিবই বা শিকনৰ সকলো স্তৰৰ জৰিয়তে পুনৰ সৰলীকৰণ নিশ্চিত কৰিবই লাগিব। কিন্তু বিশেষকৈ শৈশৱকালত আৰু বেচি জটিল স্তৰত।

**(৯) প্ৰতিযোগিতা আৰু সহযোগিতা ঃ**

ছাত্ৰ-ছাত্ৰীৰ সক্ৰিয়কৰণৰ বাবে প্ৰতিযোগিতা হ'ল এটা উৎকৃষ্ট উপায়, কিন্তু ব্যক্তিৰ ওপৰত ভিত্তি কৰি কৰা প্ৰতিযোগিতা অসমান হয় আৰু সেইবাবে কিছুমান ছাত্ৰ-ছাত্ৰীৰ



টোকা

বাবে ই প্ৰত্যাহ্বান হয়। বিভিন্ন দলৰ প্ৰতিযোগিতাই কৃতকাৰ্যতা বা অকৃতকাৰ্যতা লাভ কৰাত সম্ভৱ কৰি তোলে।

সহযোগিতাইয়ো ছাত্ৰ-ছাত্ৰীক অভিৰোচিত কৰে, যিহেতু ই শিকাৰু (ছাত্ৰ-ছাত্ৰী)ক সামাজিক পৰিৱেশ দিয়ে, সেইবাবে ছাত্ৰ-ছাত্ৰীয়ে সিহঁতক পোৱাখিনিৰ সৈতে সন্তুষ্টি পায় আৰু প্ৰয়োজনীয়খিনি পায়।

(১০) **অগ্ৰগতিৰ জ্ঞান ঃ**

ছাত্ৰ-ছাত্ৰীয়ে অগ্ৰগতিৰ জ্ঞানৰ পৰিপ্ৰেক্ষিতত তেওঁলোক লক্ষ্যত উপনীত হ'বলৈ কিদৰে আগবাঢ়িছে সেইটোৱে এটা বৰ ফলপ্ৰসূ অভিৰোচনৰ পদ্ধতি।

ই ছাত্ৰ-ছাত্ৰীক বৃহৎ প্ৰচেষ্টা চলোৱাত সহায় কৰে। ব্যক্তিগত অগ্ৰগতিৰ চাৰ্টে ছাত্ৰ-ছাত্ৰীসকলে কৰি আছে সেই বিষয়ে জনোৱাই নহয় কিন্তু ই ছাত্ৰ-ছাত্ৰীক শিকন কাৰ্যত জড়িতও কৰে।

(১১) **অস্বাভাৱিকতা /নতুনত্ব**

আমি প্ৰকৃতভাৱৰ বাবে কৰা কঠোৰ পৰিশ্ৰমে ছাত্ৰ-ছাত্ৰীক নতুন কিবা এটা জানিবলৈ আৰু বিভিন্ন বস্তু জানিবলৈ উদগণি দিয়ে। ক্ষেত্ৰ ভ্ৰমণ, শিক্ষামূলক ভ্ৰমণ, নাটক কৰা, খেলা, সাহিত্যমূলক ভ্ৰমণ আদি হৈছে নিতান্তই প্ৰয়োজনীয়তা। এইবোৰ ছাত্ৰ-ছাত্ৰীক আত্মবোধৰ প্ৰকৃত ভাবৰ বাবে সুবিধা দিলেহে হয়।

কিন্তু সিহঁতৰ নিৰাপদমূলক প্ৰয়োজনসমূহে প্ৰয়োজন বা দৰকাৰী আৰু সেইবোৰৰ পৰা ছাত্ৰ-ছাত্ৰীয়ে কেতিয়া আৰু কেনেকৈ নতুন অভিজ্ঞতা পায় সেই বিষয়ে আগতীয়াকৈ জানিব লাগে।

(১২) **ছাত্ৰ-ছাত্ৰীৰ ব্যক্তি পাৰ্থক্য**

ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন ধৰণৰ আগ্ৰহ আৰু সামৰ্থ থাকে। সকলো ছাত্ৰ-ছাত্ৰীয়ে সকলো সময়তে সকলো পাঠৰ বাবে অভিৰোচিত নহ'ব পাৰে। শিক্ষক এগৰাকীক এইটো কোনো ব্যক্তিগত আগ্ৰহ আৰু সামৰ্থ অনুসৰি জানি লোৱাটো একমাত্ৰ কৰ্তব্য, যাতে তেওঁলোকক অভিৰোচিত কৰিব পাৰে।

(১৩) **শিক্ষণ কৌশল**

শিক্ষক এগৰাকীৰ শিক্ষণ কৌশলে ছাত্ৰ-ছাত্ৰীক অভিৰোচিত কৰাত প্ৰভাৱ বিস্তাৰ কৰে। শ্ৰেণী কোঠাত ছাত্ৰ-ছাত্ৰীৰ অভিৰোচিত কৰাৰ বাবে জড়িত কৰা শিক্ষণ কৌশলৰ প্ৰকৃত সংজ্ঞা দিবলৈ ইমান সহজ নহয়। শিক্ষণ শিকন প্ৰক্ৰিয়াৰ বাবে সাধাৰণতে চিনাক্ত কৰা কৌশলবোৰ তলত তালিকাভুক্ত কৰা হৈছে।

(১) বিষয়টো পৰিচয় কৰাৰ কৌশল

(২) প্ৰশ্ন সোধাৰ কৌশল

(৩) ছাত্ৰ-ছাত্ৰীৰ পৰা পোৱা উত্তৰৰ সৈতে লেনদেনৰ কৌশল

(৪) সক্ৰিয় প্ৰকৰণৰ কৌশল

(৫) কৃষ্ণ ফলক বা চক ফলক ব্যৱহাৰৰ কৌশল।

(৬) শিক্ষণ কৌশল আৰু অন্যান্য সামগ্ৰী হাতেৰে চলনা কৰা কৌশল।



টোকা

(৭) অমৌখিক ইংগিতৰ কৌশল
(৮) পুনৰ সৰলীকৰণৰ কৌশল
(৯) উদাহৰণ আৰু ব্যাখ্যাৰ ব্যৱহাৰ কৰা কৌশল।
(১০) উপ সামগ্ৰী মুকলি কৰাৰ কৌশল
(১১) ব্যাখ্যাকৰণৰ কৌশল।
(১২) দলীয় আলোচনাৰ বাবে প্ৰেৰণা যোগোৱাৰ কৌশল
(১৩) পৰিকল্পিতভাৱে পুনৰবাৰ অভ্যাস কৰাৰ কৌশল
(১৪) ছাত্ৰ-ছাত্ৰীৰ পৰা সিদ্ধান্ত নিষ্কাষণৰ কৌশল
(১৫) শিক্ষকৰ সক্ৰিয়কৰণৰ কৌশল
(১৬) পাঠ সামৰণি কৰাৰ কৌশল
(১৭) শিক্ষণৰ বাবে উপযুক্ত পদ্ধতি ব্যৱহাৰ কৰাৰ কৌশল।

(১৪) **শিক্ষণত শিক্ষকৰ নিজা অভিৰোচন আৰু আগ্ৰহ**

শিক্ষকে কি শিকাই আছে আৰু কাক শিকাইছে সেই বিষয়ে জানিবলৈ আগ্ৰহী হ'বই লাগিব। যদি তেখেতে নিজৰ কামত আগ্ৰহী নহয়, তেখেতে কেতিয়াও শ্ৰেণীটো অভিৰোচিত কৰিব নোৱাৰে। ক'ব পাৰি যে যদি এগৰাকী শিক্ষকে এটা শ্ৰেণীত একেটা বিষয়তে শিকাই থাকে, তেন্তে তেখেতৰ আগ্ৰহ নোহোৱা হ'ব। কিন্তু প্ৰকৃততে সেয়া নঘটে। বিষয় একে হ'ব পাৰে, কিন্তু ছাত্ৰ-ছাত্ৰীবোৰ বেলগ হয়। আনকি বিষয়বস্তু সলনি আৰু উন্নত হ'ব পাৰে। ইয়াৰ উপৰি অভিজ্ঞতাৰে সৈতে শিক্ষকে নতুন পদ্ধতি আৱিষ্কাৰ কৰিব আৰু এনে বিষয়বস্তু শিকোৱা পদ্ধতি আবিষ্কাৰ কৰিব পাৰে।

## 3.5.3. মনোভাৱ ঃ

শিক্ষাৰ এটা প্ৰধান উদ্দেশ্য হ'ল ছাত্ৰ-ছাত্ৰীৰ বঞ্চিত মনোভাৱৰ বিকাশ সাধন কৰা। ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়নৰ প্ৰতি মনোভাৱ, আত্মচিন্তা, বন্ধু, নিৰ্দিষ্ট আদৰ্শ ইত্যাদিৰ বিভিন্ন মনোভাৱ বিকাশ কৰিবই লাগিব। মনোভাব হ'ল নিৰ্দিষ্ট অনুষ্ঠানৰ বাবে অস্থায়ী প্ৰস্তুতি, ইয়াত ব্যক্তি বা বস্তু এটা স্থায়ী ধৰণে শিকা হয় আৰু অইনৰ প্ৰতি সঁহাৰি দিয়া হয়। উদাহৰণ স্বৰূপে খাদ্য, পানী, খেলা, গণিত বা স্বাধীনতা এইবোৰৰ প্ৰতি থকা মন্তব্যই হ'ল মনোভাৱ।

ইয়াত আগ্ৰহ, প্ৰশংসা আৰু সামাজিক পৰিচালনা অন্তৰ্ভুক্ত হৈ থাকে। এই মনোভাৱ শিকা হয় বা অভিযোজন কৰা হয়।

## 3.5.4. মূল্যবোধ

মানুহৰ বাবে জীয়াই থকাৰ বাবে আদৰ্শই মূল্যবোধ হয়। সেইবোৰ জীৱনৰ নিৰ্দেশনা নীতি যিবোৰ কোনো ব্যক্তিৰ শাৰীৰিক, সামাজিক আৰু মানসিক স্বাস্থ্যৰ পৰিচালনা কৰে। মূল্যবোধৰ সংজ্ঞা এইদৰে দিব পাৰি—



টোকা

(ক) যিবোৰ আমি বিশ্বাস কৰোঁ সেইবোৰ, মূল্যবোধ

(খ) যিবোৰ আমি অভ্যাস কৰো সেইবোৰ, কাৰিকৰি মূল্যবোধ।

(গ) অতীতৰ পৰম্পৰা, মূল্যবোধৰ পৰম্পৰা পুনৰ নতুন কৰি অভিযোজন কৰিবলৈ অভিজ্ঞতাৰ পৰা যি শিকো। সেয়াও মূল্যবোধ।

**(ক) মূল্যবোধৰ তালিকা**

১। সত্য

২। সৌন্দৰ্য

৩। ভাল/ সজ গুণ

৪। সহযোগিতা

৫। সাহস

৬। নাগৰিক

৭। তুলনা

৮। ত্যাগ

৯। নিয়মানুবৰ্তিতা

১০। কৰ্তব্য

১১। ধৈৰ্য

১২। মমতা

১৩। ব্যক্তিৰ মৰ্যাদা

১৪। বন্ধুত্ব

১৫। স্বাধীনতা

১৬। সমীহ

১৭। সাধুতা

১৮। ভাল ব্যৱহাৰ

১৯। সৰল জীৱন যাপন

২০। বিচাৰ

২১। জাতীয় সচেতনতা

২২। শান্তি

২৩। অইনৰ প্ৰতি সন্মান

২৪। অহিংসা

২৫। জ্ঞানৰ প্ৰতি জিজ্ঞাসা

২৬। বাধ্যতা

৩১। কামৰ মৰ্যাদা

৩২। সমাজবোধ

৩৩। নিয়মানুবৰ্তিতা

৩৪। মানৱীয়তা

৩৫। সমাজসেৱা

৩৬। নিয়মানুবৰ্তিতা

৩৭। আন্তৰ্জাতিক বুজাবুজি

৩৮। সাহসিকতা

৩৯। আত্ম নিয়ন্ত্ৰণ

৪০। ধৈৰ্য

৪১। আত্ম-বিশ্বাস

৪২। ঔৎসুকতা

৪৩। জ্ঞান

৪৪। উচ্চ চিন্তন

৪৫। দায়িত্ববোধ

৪৬। ভয় বিহীন

৪৭। সু ইচ্ছা, শুভেচ্ছা

৪৮। ৰাজকীয়

৪৯। দয়া

৫০। Generosity

৫১। লক্ষ্য

৫২। ভাল চৰিত্ৰ

৫৩। নৈতিক গুণ

৫৪। আত্মিক

৫৫। সহ্য গুণ

৫৬। সদাচাৰ



টোকা

২৭। আত্ম-সন্মান

২৮। সহানুভূতি

২৯। জাতীয় সংহতি

৩০। নেতৃত্ব

৫৭। সজ খং

৫৮। অন্তৰ্দৃষ্টি

৫৯। ত্যাগ

৬০। সৰল জীৱন যাপন আৰু উচ্চ চিন্তা

**মূল্যবোধ শিকাৰ উপায় আৰু পদ্ধতি (শিক্ষাৰ ভূমিকা) ঃ**

মূল্যবোধ শিকাৰ ক্ষেত্ৰত ক'লে বেছিকৈ কোৱা হ'ব যে মূল্যবোধবোৰ শিকোৱা নহয় বা শিকিবলৈ প্ৰস্তুত কৰা নহয়, বৰং ছাত্ৰ-ছাত্ৰীয়ে নিজে মূল্যবোধবোৰ লাভ কৰে। যদি আমি বাৰে বাৰে ছাত্ৰ-ছাত্ৰীক কওঁ যে 'সদায় সঁচা কথা ক'ব লাগে, মিছা কথা কোৱা মহাপাপ', এই কথাষাৰে 'ছাত্ৰ-ছাত্ৰীক সঁচা কথা ক'বলৈ নিশিকায় আৰু মিছা কথা কোৱাৰ পৰা বিৰত নাৰাখে। এই ক্ষেত্ৰত যদি শিক্ষকে এগৰাকীয়ে ধৰ্মোপদেশ দিয়াৰ পৰিৱৰ্তে নিজে সত্য পথ অনুসৰণ কৰে আৰু শিক্ষক এগৰাকীয়ে সঁচা কথা কোৱা বুলি ছাত্ৰ-ছাত্ৰীয়ে জানে, তেতিয়া এইটোৱে ছাত্ৰ-ছাত্ৰীৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিব আৰু তেওঁলোকে সত্যৰ পথ অনুসৰণ কৰিব পাৰিব। উদাহৰণ স্বৰূপে মহাত্মা গান্ধীয়ে 'হৰিশ্চন্দ্ৰ'ৰ নাটকখন চাইছিল আৰু এই নাটকখনে গান্ধীজীৰ মনত এটা এৰাব নোৱাৰা প্ৰভাৱ পেলাইছিল আৰু তেতিয়াৰ পৰা তেখেতে জীৱনৰ বাকী থকা দিনকেইটাত সত্য পথ অনুসৰণ কৰিছিল। সেইবাবে মূল্যবোধৰ বিষয়ে ক'বলৈ যাওঁতে ক'ব পাৰি যে মূল্যবোধ শিকোৱা নহয়, ধৰি লোৱা হয়, গ্ৰহণ কৰা হয়। সেইবাবে ছাত্ৰ-ছাত্ৰীয়ে বিচৰা ধৰণে এনে ধৰণৰ মূল্যবোধবোৰ ছাত্ৰ-ছাত্ৰীৰ মাজত প্ৰচাৰ কৰিবলৈ (শিকাবলৈ) বিদ্যালয় আৰু শিক্ষকে প্ৰচেষ্টা হাতত লোৱা উচিত। এই কথাবোৰ বিদ্যালয়ৰ পৰিৱেশৰ লগত আৰু শিক্ষকৰ পৰিচালকৰ সৈতে একে লগে হোৱা উচিত।

লগতে এইটো ক'ব পাৰি যে মূল্যবোধ শিক্ষা ছাত্ৰ-ছাত্ৰীক বিভিন্ন মাধ্যমৰ জৰিয়তে দিব পাৰি। এই উপায় বা মাধ্যমবোৰ তলত দিয়া হ'ল—

**(1) প্ৰাতঃ সভা ঃ**

বিদ্যালয়ত শিক্ষণ কাৰ্য আৰম্ভ হোৱাৰ পূৰ্বে প্ৰাতঃসভা কৰাৰ প্ৰয়োজন। ১৫-২০ মিনিট সময়ৰ বাবে এই প্ৰাতঃসভা হোৱা উচিত। সভাত এটা প্ৰাৰ্থনা থকা উচিত, কিন্তু প্ৰাৰ্থনাৰ উপৰি ধৰ্মীয় বিষয়, দেশপ্ৰেমমূলক গীত, শিক্ষকৰ দল নৈতিক বক্তৃতা (নীতি কলা) সেইদৰে সময় মতে ছাত্ৰ-ছাত্ৰী শুনি থাকিব। এইধৰণৰ ব্যৱস্থা প্ৰাতঃসভাতে কৰিব পাৰি।

**(2) বাধ্যতামূলক বিষয় ঃ**

বাধ্যতামূলক বিষয় বুলিলে ইয়াকে বুজা যায় যে একোটা বিষয়ৰ নামত নীতি শিক্ষা দিয়া উচিত আৰু এই বিষয়টো অন্য বিষয়ৰ দৰে বাধ্যতামূলক বিষয় হিচাপে শিকোৱা হয়। এই নীতি শিক্ষাৰ বিষয়টোত সকলো ধৰ্মৰ সাৰাংশ নিশ্চয় থকা উচিত। আৰু যিকোনো বিশেষ ধৰ্মৰ জ্ঞান নহয়, সকলো ধৰ্মৰ প্ৰতি সমান দৃষ্টিভংগী' এই নীতি ইয়াত থকা উচিত। ৰুটিনত এই বিষয়ৰ বাবে এসপ্তাহত অন্ততঃ দুটা পিৰিয়ড থাকিব

টোকা

লাগে। মূল্যবোধ শিক্ষাৰ বাবে কাৰিকুলামৰ পুনৰ ডিজাইন কৰা উচিত। কিছুমান বিষয়ত এনে ধৰণৰ পৰিবৰ্তন কৰা উচিত যাতে এই বিষয়বোৰৰ জৰিয়তে সামাজিক, নৈতিক, সাংস্কৃতিক আৰু নৈতিক মূল্যবোধ সম্পৰ্কে শিক্ষা দিব পাৰি।

ভূগোল, বুৰঞ্জী, সমাজ অধ্যয়ন, ভাষা, সংগীত, কলা ইত্যাদি বিষয়ৰ জৰিয়তে এইটো সম্ভৱ হয়।

**(3) বৰ্ধিত বক্তৃতা**

এই ধৰণৰ বক্তৃতাৰ বাবে সময়ে সময়ে এনে ধৰণৰ পণ্ডিত অনুষ্ঠানলৈ নিমন্ত্ৰণ কৰা উচিত যাৰ নীতি শিক্ষাৰ বিষয়ৰ লগত অভিন্ন সম্পৰ্ক থাকে। এই নিমন্ত্ৰিত ব্যক্তিসকলে মানুহৰ বঞ্চিত বিষয়ৰ ওপৰত মতামত প্ৰকাশ কৰা উচিত।

**(4) ৰাগ্মীতা প্ৰতিযোগিতা ঃ**

শৈক্ষিক মূল্যবোধৰ লগত সম্পৰ্কিত বিষয় বা শীৰ্ষ শাৰীৰ বিষয়ে বিদ্যালয়ত বাগ্মিতা প্ৰতিযোগিতাৰ কৰা উচিত। এইধৰণৰ প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিবলৈ ছাত্ৰ-ছাত্ৰীক উৎসাহ দিয়া উচিত।

**(5)** বিদ্যালয়ত আৰু নাটকৰ জৰিয়তে সম্পূৰ্ণ সুবিধাজনক ভাৱে মূল্যবোধ শিক্ষা দিব পাৰি। আৰু নাটকখনৰ বিষয়বস্তু নৈতিক, সামাজিক আৰু সাংস্কৃতিক মূল্যবোধৰ লগত সম্পৰ্ক থকা হ'ব লাগে।

**(6) জন্ম দিন উদ্‌যাপন ঃ**

যিবোৰ মানুহৰ জীৱনত উচ্চ মূল্যবোধ প্ৰভাৱ আহে আৰু সমাজৰ আদৰ্শস্বৰূপ তেনে ধৰণৰ মহৎ লোকৰ জন্মদিন উদ্‌যাপন কৰা উচিত। উদাহৰণ স্বৰূপে মহাত্মা গান্ধীৰ জন্মদিন, গুৰু নানক, গুৰু গোবিন্দ সিং, বুদ্ধ দেৱ, জৱাহৰলাল নেহৰু আৰু ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ জন্মদিন পালন কৰা উচিত। তেওঁলোকৰ জন্মদিন উদযাপন ছাত্ৰ-ছাত্ৰীক প্ৰেৰণা যোগাব আৰু তেওঁলোকক অনুসৰণ কৰিব পাৰিব।

**(7) আন্তঃৰাষ্ট্ৰীয় দিৱস উদ্‌যাপন ঃ**

বিশ্ব শান্তি দিৱস যেনে- মানৱ অধিকাৰ দিৱস আদি আন্তঃৰাষ্ট্ৰীয় দিৱসবোৰ উদযাপন কৰা উচিত। এনেধৰণৰ কামবোৰ কৰিলে ছাত্ৰ-ছাত্ৰীৰ মাজত ভাতৃত্ববোধৰ বিকাশ হ'ব।

**(8) গণ মাধ্যমৰ ব্যৱহাৰ ঃ**

ছাত্ৰ-ছাত্ৰীক মূল্যবোধৰ শিক্ষা দিবলৈ হ'লে যথেষ্ট পৰিমাণে গণ মাধ্যম ব্যৱহাৰ কৰিবলৈ দিয়া উচিত। বাতৰি কাকত, জাৰ্নেল, দূৰদৰ্শন, ৰেডিঅ' আদি ব্যৱহাৰে ছাত্ৰ-ছাত্ৰীৰ মাজত মূল্যবোধৰ প্ৰতি সজাগ কৰি তুলিব পাৰে।

**(9) ৰাষ্ট্ৰীয় সেৱা আঁচনি ঃ**

সমাজসেৱা আৰু ৰাষ্ট্ৰীয় সেৱা, ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীক শিকাব পাৰি। নৈতিক, সামাজিক, সাংস্কৃতিক সেৱা আদিৰ দৰে কাম কৰি ছাত্ৰ-ছাত্ৰীৰ মাজত নৈতিক, সামাজিক আৰু সাংস্কৃতিক বিকাশ সাধন কৰিব পাৰি।



টোকা

**(10) মূলবোধ থকা আলোচনী ঃ**

যিহেতু বিদ্যালয়ত আলোচনী প্ৰকাশ কৰা হয়। গতিকে এটা কথা মন কৰিব লাগে যে এই বিদ্যালয়ৰ আলোচনীত যিবোৰ বিষয় প্ৰকাশ কৰা হয়, সেইবোৰ এনেধৰণৰ হোৱা উচিত যাতে, ছাত্ৰ-ছাত্ৰীয়ে সেইবোৰ পঢ়ি কিছুমান শিক্ষা পায় আৰু তাৰ জৰিয়তে চৰিত্ৰ গঠন আৰু বিকাশ কৰিব পাৰে।

**(11) শিক্ষকৰ ভূমিকা ঃ**

শৈক্ষিক মূল্যবোধ প্ৰদান কৰাত শিক্ষকৰ এটা দৰকাৰী ভূমিকা আছে।

ওপৰত উল্লেখ কৰা সমলবোৰ শিক্ষক এগৰাকীয়ে ব্যৱহাৰ কৰিব পাৰে। আমি ইতিমধ্যে এই ক্ষেত্ৰত শিক্ষকৰ ভূমিকা কি হ'ব পাৰে, আলোচনা কৰিছোঁ। এগৰাকী শিশুৱে পৃথিৱীলৈ অহাৰ পাছতে অইনক অনুসৰণ কৰি শিকিবলৈ আৰম্ভ কৰে। ছাত্ৰ-ছাত্ৰীৰ বাবে শিক্ষক-শিক্ষয়িত্ৰীয়ে আদৰ্শস্বৰূপ আৰু সিহঁতে শিক্ষকৰ জীৱন প্ৰণালী অনুসৰণ কৰে। সেইবাবে শিক্ষক এগৰাকীয়ে ছাত্ৰ-ছাত্ৰীৰ মাজত মূল্যবোধ শিক্ষা প্ৰদান কৰিবলৈ হ'লে মূল্যবোৰ আদৰ্শ হোৱা উচিত আৰু ছাত্ৰ-ছাত্ৰীৰ মনোভাৱ নমনীয় হোৱা উচিত। যদি শিক্ষক এজনৰ ইয়াৰ ওপৰত বিশ্বাস থাকে, তেতিয়াহে তেখেতে মূল্যবোধ শিক্ষা প্ৰদান কৰা উচিত। শিক্ষক এগৰাকীয়ে কোৱা আৰু কৰাৰ মাজত পাৰ্থক্য থকা উচিত নহয়। শিক্ষকগৰাকী এই ক্ষেত্ৰত (মূল্যবোধৰ) কিছু হীন দেখি হ'লে, শিক্ষকগৰাকীয়ে মূল্যবোধৰ শিক্ষাৰ বাবে প্ৰশিক্ষণ লোৱাৰ ব্যৱস্থা কৰিব লাগে। শিক্ষকেই সমাজত এক মাত্ৰ ব্যক্তিত্ব যাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ সামাজিক, নৈতিক, সাংস্কৃতিক আৰু আধ্যাত্মিক বিকাশ সম্ভৱ হয়। সেইবাবে শিক্ষক এগৰাকীৰ ব্যক্তিগত জীৱনটো উচ্চখাপৰ, পৰিষ্কাৰ পৰিচ্ছন্নতা আৰু অনুসৰণ কৰিব পৰা উপযোগী হোৱা উচিত যাতে তেখেতে ছাত্ৰ-ছাত্ৰীৰ মানস পটত নিজৰ ব্যক্তিত্বৰ পদচিহ্ন ৰাখিবলৈ সক্ষম হয়।

**অগ্ৰগতি নিৰীক্ষণ- 3**

ব্যক্তিত্বৰ বিকাশৰ বাবে স্থায়ী কাৰকসমূহ বৰ্ণনা কৰক। বা

ব্যক্তিত্বৰ বিকাশত প্ৰভাৱ বিস্তাৰ কৰা কাৰকসমূহ বৰ্ণনা কৰক।

..............................................................................................................

..............................................................................................................

..............................................................................................................

## 3.6 ব্যক্তিত্বৰ মান নিৰূপণ

মান নিৰূপণৰ পদ্ধতি বহলভাৱে দুটা ভাগত ভগাব পাৰি, যেনে—

১। বস্তুগত পদ্ধতি

২। বিষয়গত পদ্ধতি।

৩। প্ৰকল্প পদ্ধতি



টোকা



সৰ্বপ্ৰথমে পদ্ধতি আৰু কৌশলসমূহো প্ৰামাণিক আৰু অপ্ৰামাণিকত ভাগ কৰা হৈছে।

ইয়াৰ উপৰি স্ব (নিজে) তথ্য দাখিল কৰা পদ্ধতি আছে। য'ত ব্যক্তি এজনে ব্যক্তিজনৰ বিষয়ে নিজে মান নিৰূপণ আৰু তথ্য দাখিল কৰিব লাগে। এই ধৰণৰ পদ্ধতিত আত্মজীৱনী, সাক্ষাৎকাৰ, প্ৰশ্নাৱলী আদি অন্তৰ্ভুক্ত কৰা হয় আৰু নিজে নিজক আৱিষ্কাৰ কৰা হয়।

দ্বিতীয়তে, কিছুমান আছে, য'ত ব্যক্তি এজনৰ বিষয়ে আনে কোৱা ধৰণে মান নিৰূপণ কৰা হয়। এনেধৰণৰ পদ্ধতিত সকলো ধৰণৰ জীৱনী, ঘটনা বুৰঞ্জী ইত্যাদি অন্তৰ্ভুক্ত।

তৃতীয়তে আমি ব্যৱহাৰিক জোখমাখ ব্যৱহাৰ কৰোঁ, য'ত ব্যক্তি এজন প্ৰকৃত বাস্তৱ জীৱনৰ প্ৰকৃত ব্যৱহাৰ পৰ্যবেক্ষণ কৰা হয়।

চতুৰ্থতে, আমি প্ৰকল্প পদ্ধতি ব্যৱহাৰ কৰিব পাৰোঁ য'ত কাল্পনিক পৰিৱেশ টোৰ লগত ব্যক্তি এগৰাকীৰ ক্ৰিয়া কি হ'ব পাৰে তাক ব্যৱহাৰ কৰা হয়। অৱশেষত যন্ত্ৰ আৰু প্ৰযুক্তিগত যন্ত্ৰপাতি আছে যাৰ সহায়ত আমি কিছুমান ব্যক্তিত্বৰ প্ৰকৰণৰ মূল্যাংকন কৰিব পাৰোঁ।

**ব্যক্তিত্ব মূল্যাংকনৰ পদ্ধতিসমূহ ঃ**

**প্ৰামাণিক অভীক্ষা**
**বস্তুগত পদ্ধতি**

১। পাৰদৰ্শিতাৰ অভীক্ষা
২। যোগ্যতা অভীক্ষা
৩। বুদ্ধি অভীক্ষা
৪। আগ্ৰহ অভীক্ষা
৫। ব্যক্তিগত মাল তালিকা

**অপ্ৰামাণিক অভীক্ষা**
**বিষয়ভিত্তিক অভীক্ষা**

১। Anecdotal Records
২। আত্মজীৱনী
৩। ঘটনা সভা
৪। Cumulative Record Card
৫। সাক্ষাৎকাৰ
৬। পৰ্যবেক্ষণ
৭। অভিভাৱক মতামত
৮। ব্যক্তিগত তথ্য
৯। প্ৰশ্নাৱলী
১০। মনোভাৱ স্কেল
১১। তালিকা
১২। স্ক'ৰ কাৰ্ড
১৩। Sociometry

**প্ৰকল্প ভিত্তিক কৌশল**

১। বি. জি. অভীক্ষা
২। কলা ছবি অভীক্ষা
৩। শিশুৰ অভীক্ষা
৪। বোকা মডেলিং
৫। মেঘৰ ছবি অভীক্ষা
৬। এজন মানুহৰ ছবি আঁকা অভীক্ষা
৭। Graphology
৮। সংৰচনা অভীক্ষা
৯। মনস্তাত্বিক নাটক
১০। Rorschach Ink Blot Test
১১। বাক্য শেষ কৰা অভীক্ষা
১২। Socia-drama
১৩। Szondi Test
১৪। Thematic Apperception Test (TAT)
১৫। Toy and Doll Playin Test (Word Game)
১৫। Word Association Test (Free and Controlled)



টোকা

**অগ্ৰগতি নিৰীক্ষণ - 4**

ব্যক্তিত্বৰ নিৰূপণৰ পদ্ধতিসমূহ কি কি? প্ৰত্যেককৰে বৰ্ণনা কৰক।

...........................................................................................................

...........................................................................................................

...........................................................................................................

## 3.7 ব্যক্তিত্বৰ বিকাশত শিক্ষকৰ ভূমিকা ঃ ছাত্ৰ-ছাত্ৰীৰ বিকাশ

শিক্ষকৰ বাবে কিছুমান নিৰ্দেশনা নীতি তলত দিয়া হ'ল—

- মনোযোগ ঃ তলত এইবোৰ উল্লেখ কৰা হ'ল—

1. ব্যক্তিত্বৰ বিকাশৰ আটাইতকৈ ভাল পদ্ধতিবোৰৰ ভিতৰত এটা হ'ল ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি মনোযোগ দিয়া

2. মনোযোগৰ গুণাগুণ গণনা

3. যদি ছাত্ৰ-ছাত্ৰীয়ে প্ৰশ্নসোধে, শিক্ষকে তৎক্ষণাত উত্তৰ দিয়াৰ বাবে চেষ্টা কৰা উচিত। ছাত্ৰ-ছাত্ৰীসকল অতি দৰকাৰী, তেওঁলোকক মনোযোগ দিয়াৰ প্ৰয়োজন। যদি তেওঁলোকক বাচি বাচি একাষৰীয়া কৰা হয়, সিহঁতক অৱজ্ঞা কৰা হয়; তেতিয়া তেওঁলোকে বিশ্বাস হেৰুৱাব।

- অনুশাসন

(1) শিক্ষকগৰাকী সুন্দৰ, খোলামনৰ, সাধু, আৰু মৰমিয়াল হোৱা উচিত, তেখেত দৃঢ় আৰু কঠোৰ হোৱা অনুচিত।

(2) যিবোৰ নিয়ম ধীৰ (নমনীয়) হোৱা উচিত সেইবোৰ কাচিৎ মানি লোৱা উচিত যিবোৰ নিয়ম জৰুৰী সেইবোৰ কেতিয়াবা জাৰি কৰা উচিত।

(3) ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজন অনুসৰি অনুশাসন প্ৰয়োগ কৰা উচিত।

**উদাহৰণ ঃ**

(1) ছাত্ৰ-ছাত্ৰীক এনেধৰণৰ কাৰ্যৰে প্ৰভাবিত কৰিব পাৰো যিবোৰ কাৰ্য কথাতকৈও বেছি উচ্চস্তৰৰ হয়।

(2) শিক্ষক এগৰাকীয়ে তেখেতৰ জীৱন প্ৰতি যত্ন লোৱা উচিত। কিছুমান ছাত্ৰ-ছাত্ৰীয়ে সৰ্বদা পঢ়িব পৰাকৈ তেখেত একমাত্ৰ পাঠ্যপুথি হ'ব পাৰে।

- **ধেমালি ঃ**

শিক্ষকগৰাকীয়ে ছাত্ৰ-ছাত্ৰীসকলৰ লগত ধেমালি কৰা উচিত। এইটো শিক্ষাৰ ক্ষেত্ৰত শৈক্ষিক পথ হয়।

- **অনুপ্ৰেৰণা ঃ**

শিক্ষক হিচাপে প্ৰেৰণা দিয়াৰ মূলমন্ত্ৰ হৈছে-



টোকা



— কি কৰি আছে জানা

— কি কৰি আছে সেইটো ভাল পোৱা

— কি কৰি আছে তাৰ ওপৰত বিশ্বাস কৰা।

- **মৰম**

  জনপ্ৰিয় কথা এযাৰ আছে—

  ‘ শিশুক মৰম কৰা, শিশুৱেও তোমাক মৰম কৰিব। শিশুক হিংসা কৰা, শিশুৱেও তোমাক হিংসা কৰিব।’

- **ধৈৰ্য ঃ**

  ছাত্ৰ-ছাত্ৰীৰ মৰমেৰে শিক্ষা (প্ৰশিক্ষণ) দিলে ধৈৰ্য বাঢ়ে।

- **প্ৰশংসা ঃ**

(1) ছাত্ৰ-ছাত্ৰীসকল প্ৰশংসাত উৎফুল্লিত হৈ পৰে। এইটো শিক্ষণৰ এটা অতি দৰকাৰী অংশ।

(2) যদি এগৰাকী ছাত্ৰ-ছাত্ৰীক সমালোচনা কৰা হয় তেন্তে সি/তাই জগৰীয়া কৰিবলৈ শিকে। যদি এগৰাকী ছাত্ৰ-ছাত্ৰীক প্ৰশংসা কৰা হয়, তেন্তে সি/তাই সামৰ্থবান হ’বলৈ কঠোৰ শ্ৰম কৰে।

(3) যদি পাৰি ছাত্ৰ-ছাত্ৰীক বেয়া ব্যৱহাৰৰ বাবে গালি পাৰাতকৈ ভাল ব্যৱহাৰৰ বাবে প্ৰশংসা কৰাটো প্ৰয়োজন।

- **বোধ ঃ**

  ছাত্ৰ-ছাত্ৰীক বুজিবলৈ হ’লে এগৰাকী শিক্ষকে প্ৰথমে নিজকে বুজিব লাগিব। এই ক্ষেত্ৰত এটা গুৰুত্বপূৰ্ণ কথা হ’ল — শিক্ষকগৰাকীয়ে এগৰাকী ছাত্ৰ-ছাত্ৰীক ব্যক্তিত্ব বিকাশৰ এটা বা অন্য দিশৰ প্ৰতি যাতে মনোনিৱেশ নকৰে।

তেখেতক সকলো ছাত্ৰ-ছাত্ৰীক সকলো বস্তুৰ বাবে সকলো বুলি আশা কৰা হয়। যেনে এজন ডাক্তৰে ছাত্ৰ-ছাত্ৰীৰ শাৰীৰিক স্বাস্থ্যৰ প্ৰতি, এজন মানসিক স্বাস্থ্যবিদে সুন্দৰ স্বাস্থ্যৰ প্ৰতি, এজন দাৰ্শনিকে সজ বিচাৰকৰ বাবে অনুগামীসকলক পৰিচালনা কৰে, আৰু প্ৰেৰণা দিয়ে আৰু এগৰাকী কলাকাৰে সৌন্দৰ্য বিচাৰি উলিওৱাত সহায় কৰে। শিক্ষক এগৰাকীয়ে ছাত্ৰ-ছাত্ৰীৰ প্ৰতিটো প্ৰয়োজনীয়তাৰ পৰিচালনাৰ বাবে পৰিচালক (মন্ত্ৰী) হ’বই লাগিব। এনেধৰণৰ পৰিয়ালৰ সভাই উপযুক্ত সেৱাৰ সঞ্চাৰ কৰাৰ উপযুক্ত হয়।

**অগ্ৰগতি নিৰীক্ষণ - 5**

এগৰাকী শিক্ষকে তেখেত ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিত্ব বিকাশৰ বাবে দায়ী নে?

চমুকৈ আলোচনা কৰক-

.............................................................................................................

.............................................................................................................

.............................................................................................................



টোকা

## 3.8. সামৰণি ঃ

'personality' শব্দটো লেটিন শব্দ personৰ পৰা উদ্ভৱ হৈছে, যিয়ে ৰোমান মানকে পিন্ধা মুখাক বুজায়। এই ক্ষেত্ৰত ক'ব পাৰি যে ব্যক্তিত্ব বুলিলে অইনে লোক এজনক যি ধৰণে দেখে সেই দৃষ্টিভংগীক বুজায়। ব্যক্তিত্ব হ'ল এজন লোকে কি কৰে। প্ৰত্যেক লোকৰে ব্যক্তিত্ব সম্পূৰ্ণ বেলেগ বেলেগ। ব্যক্তিত্ব গতিশীল, ই স্থিৰ নহয়। ব্যক্তিত্বই সম্পূৰ্ণভাৱে কাম কৰে। ব্যক্তিত্ব হৈছে বংশগতি আৰু পৰিৱেশৰ দুয়োৰে পৰা উৎপন্ন হোৱা ফল। ব্যক্তিত্বৰ বিকাশ সম্বন্ধে বিভিন্ন তত্ব আছে আৰু এই তত্ববোৰক চৰকাৰী শৈক্ষিক উপযুক্ততা ব্যৱহাৰ আছে। এগৰাকী ছাত্ৰ-ছাত্ৰীৰ আত্মবোধ, মনোভাব, প্ৰাপ্ত অভিৰোচন, বিকশিত মূল্যবোধে তেওঁ/তাই ব্যক্তিত্বৰ দিশত সহায় কৰে। এগৰাকী শিক্ষকে এগৰাকী ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিত্বৰ বিকাশৰ প্ৰধান ভূমিকা পালন কৰে। ব্যক্তিত্ব বস্তুগত বিকাশৰ আৰু প্ৰকল্পভিত্তিক পদ্ধতিৰে জুখিব পাৰি।

## 3.9. আপোনাৰ অগ্ৰগতি নিৰীক্ষণৰ উত্তৰসমূহ ঃ

**অগ্ৰগতি নিৰীক্ষণ - 1**

(ক) প্ৰত্যেক ব্যক্তিৰ ব্যক্তিত্ব সুন্দৰ

(খ) ব্যক্তিত্ব হৈছে গতিশীল, স্থিৰ নহয়

**অগ্ৰগতি নিৰীক্ষণ - 2**

ব্যক্তিত্বৰ গুণগত তত্ব আৰু সূচনা বিশ্লেষণাত্মক তত্ব।

**অগ্ৰগতি নিৰীক্ষণ - 3**

আত্মধাৰণা, অভিৰোচন, মনোভাব আৰু মূল্যবোধ।

**অগ্ৰগতি নিৰীক্ষণ - 4**

(ক) বস্তুগত পদ্ধতি (খ) বিষয়গত পদ্ধতি (গ) প্ৰকল্পভিত্তিক পদ্ধতি।

**অগ্ৰগতি নিৰীক্ষণ - 5**

হয়, শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ প্ৰতি মনোযোগ দিয়া উচিত, শিক্ষকসকলে বুজাবুজি (বোধ) আৰু ছাত্ৰ-ছাত্ৰীক কৰা প্ৰশংসাৰ প্ৰতি মনোযোগ দিয়া উচিত যাতে ছাত্ৰ-ছাত্ৰীয়ে সুব্যক্তিত্বৰ বিকাশ সাধন কৰিব পাৰে।

## 3.10. পঠনৰ বাবে পৰামৰ্শ আৰু প্ৰসংগ পুথি ঃ


- Aggarwal J.C., Child development and process of learning, Shipra publications, New Delhi, 2003.
- Bany A. Mary and Johnson V. Lois, "Classroom Group Behavior"Group Dynamics In Education. The Macmillan Company, New York. 1964.

টোকা


- Dandapani.S., “Advanced Educational Psychology”, Anmol Publications Pvt. Ltd., New Delhi. 2000.
- Hurlock E.B., Development Psychology, A Life – Span Approach, 5th Ed., Tata McGraw Hill Publishing Co. Ltd., New Delhi,1980.
- John M. Stephens., “The Psychology of Classroom Learning.”, Holt, Rinehart and Winston, Inc. New York. 1966
- Kavyakishore P.B., Fundamentals of Educational Psychology: Learning and Instruction, Anmol Publications, New Delhi.2011.
- John Mander M.A., Classroom Teaching, Newnes Educational Publishing Company, London. 1950.
- Skinner C.E., Educational Psychology, Asia publishing House, New Delhi,1962.


## 3.11. গোটৰ অন্তিম অনুশীলন ঃ

1. ব্যক্তিত্ব ব্যাখ্যা কৰা।
2. ব্যক্তিত্বৰ বৈশিষ্ট্যসমূহ কি কি?
3. ব্যক্তিত্বৰ জুখিবলৈ বিভিন্ন উপায় কি কি?
4. ব্যক্তিত্বৰ এটা তত্ব ব্যাখ্যা কৰা।